অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং : ৮৬

উত্তৰ দানৰ তাৰিখ : ১৬-০৩-২০২২

বিষয় : কাজিৰঙাৰ এনিমেল কৰিড'ৰ

শ্ৰীদেৱব্ৰত শইকীয়া, বিধায়ক :

মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কাজিৰঙাৰ ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত মুঠ কিমানটা এনিমল কৰিড'ৰ আছে?

(খ) এই এনিমেল কৰিড'ৰসমূহ কোন জিলাৰ কোন ৰাজহ চক্ৰৰ অধীনত আছে? তথ্য দিব।

(গ) উচ্চতম ন্যায়ালয়ে দিয়া নিৰ্দেশনা অনুসৰি এনিমেল কৰিড'ৰত থকা বিভিন্ন নিৰ্মাণ কাৰ্য্য উচ্ছেদ কৰাৰ যি নিৰ্দেশ এই নিৰ্দেশ উলংঘন কৰি বৰ্তমানলৈকে কোন ৰাজহ চক্ৰৰ কোন এনিমেল কৰিড'ৰত কি কি অবৈধ নিৰ্মাণ হৈ আছে অনুগ্ৰহ কৰি তলত উল্লেখ কৰা তালিকা অনুসৰি সম্পূৰ্ণ তথ্য দিব।

| ক্ৰমিক নং | এনিমেল কৰিড'ৰ | জিলা | ৰাজহ চক্ৰ | অনুষ্ঠান/মালিক | নিৰ্মাণ বৰ্ষ |
|---|---|---|---|---|---|
| | | | | | |

(ঘ) এই অনুষ্ঠানসমূহে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ পালন কৰিবলৈ বৰ্তমান সময়ত কি কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাব।

(ঙ) গুৱাহাটী উচ্চ ন্যায়ালয়ত বন বিভাগ সম্পৰ্কত দেৱব্ৰত শইকীয়াই দাখিল কৰা পি আই এলৰ ভিত্তিত জাৰি কৰা নিৰ্দেশনাত ৰাজ্যত চলি থকা বনজ আৰু খনিজ পদাৰ্থৰ অবৈধ বেহা ৰোধৰ বাবে লোৱা পদক্ষেপসমূহ জনাব।

উত্তৰ:

পৰিবেশ আৰু বন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী পৰিমল শুক্লবৈদ্য মহোদয়ে উত্তৰ দিব:

(ক) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দক্ষিণ দিশত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰি কাৰ্বি আংলং আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান সংযোগী মুঠ ৯ টা বন্যপ্ৰাণী অহাযোৱা পথ চিহ্নিত (identify) কৰা হৈছে ।

(খ)

| এনিমেল কৰিডৰ নাম | জিলাৰ নাম | ৰাজহ চক্ৰৰ নাম |
|---|---|---|
| পানবাৰী | গোলাঘাট | বোকাখাত ৰাজহ চক্ৰ |
| হলধিবাৰী | | |
| বাগৰি | নগাঁও | কলিয়াবৰ |
| হাৰমতি | | |
| কাঞ্চনজুৰি | | |
| হাতীদণ্ডী | | |
| দেওচুৰ | | |
| চিৰাং | | |
| আমগুৰি | | |

ক্ৰমশ....পৃ/২

(গ) মহামান্য উচ্চতম ন্যায়ালয়ে ১২/০৪/২০১৯ তাৰিখে আজ্ঞালেখ আবেদন পত্ৰ ( অসামৰিক ) [ WP ( C ) 202/1995 ৰ I.A. No. 42944/2019 ] প্ৰসঙ্গত প্ৰদান কৰা হুকুম " চিনাক্তকৰণ কৰা ৯ টা বনৰীয়া জীৱ জন্তু অহা যোৱা পথৰ অংশ হোৱা ব্যক্তিগত ভুমিত কোনো নিৰ্মাণৰ অনুমতি দিয়া নহব " " No new construction shall be permitted on private lands which form part of the nine identified animal corridors " অমান্য কৰি গোলাঘাট আৰু নগাওঁ জিলাৰ অন্তৰ্গত চিহ্নিত বনৰীয়া জীৱ - জন্তুৰ পথ সমুহত বৰ্তমানলৈকে উপলব্ধ তথ্যৰ ভিত্তিত ১২ এপ্ৰিল , ২০১৯ ৰ পাছৰ নিৰ্মাণ কাৰ্য্য সমুহ চিহ্নিত কৰি ইতিমধ্যে উচ্ছেদ কৰা হৈছে । উচ্ছেদ কাৰ্য্য সম্পন্ন কৰা অনুষ্ঠানসমুহৰ নাম এনেধৰণৰ :

| ক্ৰমিক নং | এনিমেল কৰিডৰ | জিলা | ৰাজহ চক্ৰ | অনুষ্ঠান / মালিক | নিৰ্মান | মন্তব্য |
|---|---|---|---|---|---|---|
| ১ | হালধিবাৰী | গোলাঘাট | বোকাখাত | গ্ৰীণ আছিয়ানাৰ সীমাবেৰ | ১২/৪/২০১৯ পাছত | উচ্ছেদ কৰা হ'ল |
| ২ | | | | গ্ৰীণ আৰ্ছিয়ানাৰ পূব দিশত থকা নৱং চক্ৰৱৰ্তীৰ সীমাবেৰ | ১২/৪/২০১৯ পাছত | উচ্ছেদ কৰা হ'ল |
| ৩ | | | | গ্ৰীণ আৰ্ছিয়ানাৰ কাষৰ পূব দিশত থকা সুৰাৰ দোকান | ১২/৪/২০১৯ পাছত | উচ্ছেদ কৰা হোৱা নাই |
| ৪ | | পূব কাৰ্বি আংলং | চিলনিজান | চৰকাৰী আলহি ঘৰ | ১২/৪/২০১৯ পাছত | উচ্ছেদ কৰা হোৱা নাই |
| ৫ | | | | বিবাহ ভৱন | ১২/৪/২০১৯ পাছত | উচ্ছেদ কৰা হোৱা নাই |
| ৬ | | | | আবাস গৃহ | ১২/৪/২০১৯ পাছত | উচ্ছেদ কৰা হোৱা নাই |

| ক্ৰমিক নং | এনিমেল কৰিডৰ | জিলা | ৰাজহ চক্ৰ | অনুষ্ঠান / মালিক | নিৰ্মান | মন্তব্য |
|---|---|---|---|---|---|---|
| ১ | আমগুৰি | নগাঁও | কলিয়াবৰ | কৃষ্ণাঙ্গী ধাবা ও ৰেষ্টুৰেন্ট , ৰাঙলু মৌজা : দ্বাৰবাগৰি / পুতুল গগৈ | ১২/৪/২০১৯ পাছত | উচ্ছেদ কৰা হ'ল |
| ২ | আমগুৰি | | | ৰাইল্ড উড ধাবা ও ৰিজর্ট / প্ৰিন্স শইকীয়া | ১২/৪/২০১৯ পাছত | উচ্ছেদ কৰা হ'ল |
| ৩ | আমগুৰি | | | দুমহলীয়া ঘৰ, আমগুৰি চাং , মৌজা : দ্বাৰবাগৰি / কাজু আনচাৰী | ১২/৪/২০১৯ পাছত | উচ্ছেদ কৰা হ'ল |
| ৪ | হাৰমতি | নগাঁও | কলিয়াবৰ | লাহেকে চাই কেফে, হাৰমতি, মৌজা: দ্বাৰবাগৰি/আশীষ ফুকন | ১২/৪/২০১৯ পাছত | উচ্ছেদ কৰা হ'ল |
| ৫ | আমগুৰি | নগাঁও | কলিয়াবৰ | দহিকটৰা ৰেষ্টুৰেন্ট বাগৰি , মৌজা : দ্বাৰবাগৰি ৰূপালী গোস্বামী | ১২/৪/২০১৯ পাছত | উচ্ছেদ কৰা হ'ল |

ক্ৰমশ....পৃ/৩

| | | | | | | |
|---|---|---|---|---|---|---|
| ৬ | কাঞ্চনজুৰি | নগাঁও | কলিয়াবৰ | টাই ফাকে ভেলেজ ৰিজৰ্ট , কাঞ্চনজুৰি | ১২/৪/২০১৯ পাছত | উচ্ছেদ কৰা হ'ল |
| | | | | মৌজা : দ্বাৰবাগৰি/ আইক্যা খাউমুং | ১২/৪/২০১৯ পাছত | উচ্ছেদ কৰা হ'ল |
| ৭ | আমগুৰি | | | চাহ বাগানৰ কাষত ঘৰ | ১২/৪/২০১৯ পাছত | উচ্ছেদ কৰা হোৱা নাই । |
| ৮ | আমগুৰি | | | আপচ টুচিতা বন , আমগুৰি চাং , মৌজা : দ্বাৰবাগৰি | ১২/৪/২০১৯ পাছত | উচ্ছেদ কৰা হ'ল |
| ৯ | আমগুৰি | নগাঁও | কলিয়াবৰ | বনৰজা হোটেল, আমগুৰি, চাং, মৌজা : দ্বাৰবাগৰি/ দিগন্ত বৰুৱা | ১২/৪/২০১৯ পাছত | উচ্ছেদ কৰা হ'ল |
| ১০ | হাৰমতি | নগাঁও | কলিয়াবৰ | জঙ্গল চিটি ৰিজৰ্ট , বাগৰি , মৌজা : দ্বাৰবাগৰি/ম: আতাউৰ ৰহমান | ১২/৪/২০১৯ পাছত | উচ্ছেদ কৰা হ'ল |
| ১১ | | পূব কাৰ্বি আংলং | চিলনিজান | মহীমিৰি হলৰ সন্মুখত নব নিৰ্মিত ঘৰ | ১২/৪/২০১৯ পাছত | উচ্ছেদ কৰা কৰা হোৱা নাই |
| ১২ | আমগুৰি | নগাঁও | কলিয়াবৰ | গৃ ' গ্ৰীণ হোটেল , বাগুলু, মৌজা দ্বাৰবাগৰি | ১২/৪/২০১৯ পাছত | উচ্ছেদ কৰা হ'ল |
| ১৩ | | | | গ্ৰীণ ভেলেজ ৰিজৰ্ট ,নতুন ডাঙ্গা , মৌজা : দ্বাৰবাগৰি/ম: খালেকুৰ জামান | ১২/৪/২০১৯ পাছত | উচ্ছেদ কৰা হ'ল |
| ১৪ | | | | চাহ বাগানৰ কাষত ৰিজৰ্ট(লোক নিৰ্মান বিভাগৰ বঙলাৰ সন্মুখত) | ১২/৪/২০১৯ পাছত | উচ্ছেদ কৰা হোৱা নাই |

(ঘ) মহামান্য উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশাৱলী সুচাৰু ৰূপে পালন কৰাৰ অৰ্থে কলিয়াবৰৰ মহকুমাধিপতি আৰু নগাঁও জিলা দণ্ডাধীশৰ তৰফৰ পৰা ইতিমধ্যে ফৌজদাৰী প্ৰক্ৰিয়াৰ সংহিতা মৰ্মে ১৪৪ (144 CrPC) ধাৰা জাৰি কৰিছে । ইয়াৰ লগত হুকুমৰ নিৰ্দ্দেশ 'ক' আৰু 'খ' ত সংলগ্ন কৰা হল ।

(ঙ) মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ে PIL No.62 /2019 ৰ ক্ষেত্ৰত যোৱা ২১/১০/২০১৯ তাৰিখত নিৰ্দেশনা জাৰি কৰে আৰু সেইমতে Director of Geology and Mining , Assam ৰ অধিনত Task Force গঠন কৰিবলৈ নিৰ্দেশ দিয়ে। লগতে শিৱসাগৰ জিলা খনিজ বুনিয়াদ ন্যাস (Mineral Foundation Trust) ত জমা থকা ধন ক্ষতিগ্ৰস্ত হোৱা এলেকা উন্নয়নৰ কামত খৰছ কৰিব লাগে । জিলাধিপতিৰ তত্বাবধানত DMFT গঠন কৰি মুঠ Minor Mineral ৰ ৰাজহৰ ১০% জমা কৰা হৈ আছে । ইং ২১/১০/২০১৯ তাৰিখৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ PIL No. 62/2019 নিৰ্দেশনা সংলগ্ন-'গ' ত গাঠি দিয়া হ'ল ।

****